**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 07-03-2026** **Time : 1800 Hrs**

***Assamese Evening Bulletin***

---------------------------

***Headlines***

১। কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙৰ ভাৰ্চুৱেল ব্যৱস্থাৰে যোৰহাট, ডিব্ৰুগড় আৰু ধেমাজিত অত্যাধুনিক দুগ্ধ প্ৰসংস্কৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা অব্যাহত।

৩। অসম চৰকাৰৰ প্ৰতিটো বিভাগৰ মহিলা কৰ্মচাৰীৰ নিৰ্যাতনৰ পৰা সুৰক্ষাৰ বাবে SHe box মুকলি।

*আৰু*

৪। চৰাইদেউ মৈদামথলীত ৩৭গৰাকী স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াক সুঁৱৰি ৭৫ সংখ্যক স্মৃতি তৰ্পন কাৰ্যসূচী।

০০০০০০০

কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে আজি যোৰহাট, ডিব্ৰুগড় আৰু ধেমাজিত অত্যাধুনিক দুগ্ধপ্ৰংস্কৰণ প্ৰকল্পৰ ভাৰ্চুৱেল ব্যৱস্থাৰে আধাৰশিলা স্থাপন কৰে। যোৰহাটৰ কলিয়াপানীত অনুষ্ঠিত বিশেষ অনুষ্ঠানত অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা মন্ত্ৰী কৃষ্ণেন্দু পাল, সমবায় মন্ত্ৰী যোগেন মহন, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকে। শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগুৱে ধেমাজিত এই কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। একেদৰে মন্ত্ৰী প্ৰশান্ত ফুকনে ড্ৰিব্ৰুগড়ত কাৰ্য্যসূচীত অংশ লয়। যোৰহাটৰ কলিয়াপানী আৰু ডিব্ৰুগড়ৰ বকুলত দৈনিক ১ লাখ লিটাৰ ক্ষমতাযুক্ত দুগ্ধ প্ৰংস্কৰণ প্ৰকল্প, ধেমাজিৰ ৰঙাজানত দৈনিক ৫০ হাজাৰ লিটাৰ ক্ষমতাযুক্ত দুগ্ধ প্ৰংস্কৰণ প্ৰকল্প আৰু শিবসাগৰ-শ্ৰীভূমিত দুখন মাল্‌টি কেয়াৰ পশু চিকিৎসালয়ৰ আজি আধাৰশিলা স্থাপন কৰা হয়। মন্ত্ৰী ড০ পেগুৱে ধেমাজিত অনুষ্ঠানত অংশ লৈ অসমৰ দুগ্ধ আৰু পশুপালন খণ্ডৰ বাবে আজিৰ দিনটো ঐতিহাসিক দিন বুলি অভিহিত কৰে। ৬৩ কোটি টকা ব্যয় সাপেক্ষ ৰঙাজানৰ প্ৰকল্পত অহা ৩০ মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব। ইয়াৰ ফলত জিলাখনৰ গো-পালক সকল উপকৃত হোৱাৰ লগতে স্বাৱলম্বী ধেমাজি গঢ়াত সহায় হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

(বাইট)

উল্লেখযোগ্য যে যোৰাহাটত প্ৰস্তাৱিত দৈনিক ১লাখ লিটাৰ উৎপাদন প্ৰকল্পটো কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন প্ৰকল্পটো কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন কাৰ্য্যসূচীৰ অধীনত স্থাপন কৰা হ'ব। ডিব্ৰুগড় আৰু ধেমাজিৰ প্ৰকল্প দুটা ৰাজ্য চৰকাৰৰ পশুপালন আৰু পশুচিকিৎসা বিভাগে স্থাপন কৰিব। আজি গোলাঘাট, লখিমপুৰ, তিনিচুকীয়া আৰু কামৰূপত ৪ খন মাল্‌টি কেয়াৰ পশু চিকিৎসালয় উদ্বোধন কৰা হয়। ভাৰ্চুৱেল ব্যৱস্থাৰে প্ৰকল্প সমুহ উদ্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী সিঙে কয় যে, এই প্ৰকল্পসমূহে স্থানীয় দুগ্ধ উৎপাদক সকলক সংগঠিত কৰি অধিক উৎপাদনৰ সুযোগ দিব। এই বিশেষ পদক্ষেপৰ জৰিয়তে ৰাজ্যত দৈনিক ১০ লাখ লিটাৰটকৈ অধিক গাখীৰ প্ৰসংস্কৰণৰ লক্ষ্য লোৱা হৈছে।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত ৰাজনৈতিক দলসমূহে নিৰ্বাচনী তৎপৰতা অব্যাহত ৰাখিছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে জনতাৰ কাষ চপাৰ চেষ্টা কৰাৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছে সময় পৰিৱৰ্তন যাত্ৰাৰ জৰিয়তে ভোটাদাতাক আকৰ্ষণৰ বাবে চেষ্টা চলাইছে। সৰুপথাৰ, গোলাঘাট, খুমটাই

আৰু দেৰগাঁও সমষ্টিক সামৰি আজি বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰা উলিয়ায়। এই যাত্ৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক বিশ্বজিৎ ফুকন আদিয়ে অংশগ্ৰহণ কৰে।

ইপিনে, ওদালগুৰিত আজি বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দিছপুৰ চলো যাত্ৰাত অংশগ্ৰহণ কৰে। উন্নয়ন, ন্যায়, স্বায়ত্ত শাসনৰ দাবীৰে উলিওৱা এই সমদলত কেইবা হাজাৰ লোকে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকা চূড়ান্ত কৰাৰ বাবে আজি নতুন দিল্লীত কংগ্ৰেছ স্ক্ৰীণিং কমিটীৰ এখন বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত কংগ্ৰেছ নেত্ৰী তথা স্ক্ৰীণিং কমিটীৰ অসমৰ অধ্যক্ষা প্ৰিয়ংকা গান্ধী উপস্থিত থকাৰ কথা।

০০০০০০০

অসম চৰকাৰৰ প্ৰতিটো বিভাগত এতিয়াৰে পৰা মহিলা কৰ্মচাৰী সকলৰ সুৰক্ষাৰ বাবে She box উপলব্ধ হ'ব। ইয়াৰ জৰিয়তে মহিলা কৰ্মচাৰী সকলে কাৰ্য্যালয়ত সন্মুখীন হোৱা নিৰ্যাতনৰ ঘটনাৰ অভিযোগ ততালিকে দিব পাৰিব। নিজৰ পৰিচয় ৰাজহুৱা নকৰাকৈ ভুক্তভোগীয়ে এই অভিযোগ দিব পাৰিব। প্ৰতিটো বিভাগত এই বক্স থকাটো বাধ্যতামূলক কৰা হৈছে। অসম অসামৰিক সেৱাৰ বিষয়া হেমাশ্ৰী হাজৰিকাক এই পদক্ষেপৰ দায়িত্ব অৰ্পন কৰা হৈছে। She box ত মহিলা সকলে কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ বিৰুদ্ধে বিভাগক অৱগত কৰিব পাৰিব। অসমীয়া, বঙালী আৰু বড়ো ভাষাত কৰ্মচাৰীসকলে অভিযোগ দাখিল কৰিব পাৰিব।

০০০০০০০

নগাওঁ জিলাৰ কলিয়াবৰত স্থানীয় বিধায়ক তথা ৰাজহ মন্ত্ৰী কেশৱ মহন্তই আজি অত্যাধুনিক ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় গৃহ নিৰ্মাণৰ শুভাৰম্ভ কৰে। কলিয়াবৰৰ কুঁৱৰীটোলত ১৯৫৭ চনত নিৰ্মাণ হোৱা উপপ্ৰতিসমাহৰ্তাৰ কাৰ্য্যালয়টো পাছলৈ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় হিচাপে পৰিগণিত হয়। এই পুৰণি কাৰ্য্যালয় ভৱনটো ৰাজ্যৰ ভিতৰতে চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ আৰ্হি হিচাপে অত্যাধুনিক ৰূপত গঢ়ি তোলা হৈছে। মন্ত্ৰীগৰাকীয়ে আজি কলিয়াবৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত গৃহ, লাওখোৱা বিদ্যালয় গৃহৰ লগতে কলিয়াবৰ সমজিলা পুঁথিভৰালৰ নতুন গৃহ উন্মোচন কৰে। মন্ত্ৰী গৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়- (বাইট)

০০০০০০০

চাওলুং চ্যুকাফাকে ধৰি ৩৯গৰাকী স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াৰ পূণাত্মাৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে চৰাইদেউ মৈদামথলীত কালিৰে পৰা দুদিনীয়াকৈ ৭৫ সংখ্যক স্মৃতি তৰ্পন অনুষ্ঠিত হয়। আজি চৰাইদেউ মৈদাম ক্ষেত্ৰত টাই আহোমৰ বান্থি পূজা অনুষ্ঠিত হয়। এই পূজাত ৪২খন শৰাই আগবঢ়াই স্বৰ্গদেউসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। উল্লেখযোগ্য যে ১৯৫২ চনৰ পৰাই চৰাইদেউ মৈদামথলীত স্বৰ্গদেউসকলৰ স্মৃতিত ৪২খন শৰাই আগবঢ়াই স্মৃতি তৰ্পন অনুষ্ঠানৰ আয়োজন কৰি অহা হৈছে।

০০০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আৰু নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ ব্যৱস্থাপনাত অহা ২৪ মাৰ্চত নগাঁৱত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। নগাঁও ন্যায়িক আদালত ভৱন প্ৰাঙ্গনত হ'বলগীয়া এই লোক আদালতত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, ৰাজহ সংক্ৰান্তীয় গোচৰৰ লগতে পথ দুৰ্ঘটনা, বিভিন্ন বেংকৰ ঋণ আদি গোচৰসমূহ খৰতকীয়াকৈ নিষ্পত্তিৰ ব্যৱস্থা কৰা হ'ব। ইচ্ছুকসকলে এই সন্দৰ্ভত নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰী কাৰ্যালয়ৰ চতুৰ্থ মহলাৰ ৬৩ নম্বৰ কক্ষৰ লগত যোগাযোগ কৰিব পাৰিব।

০০০০০০০

আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি আজি নিশা আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত **সংবাদ ক্ষেত্ৰত নাৰী, প্ৰত্যাহ্বান আৰু প্ৰত্যাশা** শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত সাংবাদিক সুস্মিতা গোস্বামী, অৰুণিমা কলিতা আৰু ভিডিঅ' সাংবাদিক মল্লিকা কলিতাই মনৰ ভাব প্ৰকাশ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

নগাঁৱৰ গোমোঠা গাঁৱত আজি বিয়লি সংঘটিত এটা শোকাবহ পথ দুৰ্ঘটনাত এগৰাকী মহিলা নিহত হয়। ১২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গোমোঠা গাঁৱত মহিলাগৰাকীয়ে ডিভাইডাৰ পাৰ হ'বলৈ লওঁতেই এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত আন সাতগৰাকী যাত্ৰী গুৰুতৰভাৱে আহত হৈছে। বাঁহ কঢ়িয়াই নগাঁও অভিমুখে অহা এখন বলেৰ' পিক-আপ বাহন আৰু বিপৰীতমুখী এখন টেম্পোৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০০০০

**সমাপ্ত**